# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 24-11-2024
**Time :** 1715 Hrs

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - - -**

গুৱাহাটীত অহা বছৰৰ ২৪ আৰু ২৫ ফেব্ৰুৱাৰীত এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণ অনুষ্ঠিত হ'ব। দিছপুৰত আজি অনুষ্ঠিত সংবাদমেলত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই কথা প্ৰকাশ কৰি লগতে কয় যে দুদিনীয়া বিনিয়োগ সন্মিলনখন প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উদ্বোধন কৰিব। বিনিয়োগ আৰু আন্তঃগাঁথনিত গুৰুত্ব আৰোপ কৰি হ'বলগীয়া এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণত পথ পৰিবহণ, কৃষি, ঔদ্যোগিক, ৰেলৱে, হাইড্ৰকাৰ্বন উদ্যোগ, অসামৰিক বিমান সেৱা, নৱীকৃত আন্তগাঁথনি সন্দৰ্ভত আলোচনা অনুষ্ঠিত হ'ব। ৰাজ্যখনত বিনিয়োগকাৰীক আকৰ্ষিত কৰিবৰ বাবে ৰাজ্য চৰকাৰে এই পদক্ষেপ লোৱা বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে সংবাদমেলত প্ৰকাশ কৰে। তেওঁ লগতে কয় যে এডভাণ্টেজ আছাম কাৰ্যসূচীৰ প্ৰথম দিনা মেগা ঝুমুৰ নৃত্য প্ৰদৰ্শন কৰা হ'ব। সৰুসজাই ষ্টেডিয়ামত হ'বলগীয়া এই ঝুমুৰ নৃত্যত ৮০০ খন বাগিছাৰ ৭ হাজাৰ ৫০০ গৰাকী নৃত্যশিল্পীয়ে অংশগ্ৰহণ কৰিব। সংবাদমেলত মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে কয় যে বিনিয়োগকাৰীক আকৰ্ষিত কৰিবলৈ ৰাজ্য চৰকাৰৰ তিনিটা প্ৰতিনিধি দলে পাঁচখন দেশ ভ্ৰমণ কৰিব।

০০০০০০

অহা বছৰৰ ১৩ ফেব্ৰুৱাৰীৰ পূৰ্বে ৰাজ্যত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। দিছপুৰত আজি অনুষ্ঠিত সংবাদ মেলত মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয় যে জানুৱাৰীত পঞ্চায়ত নিৰ্বাচনৰ অধিসূচনা জাৰি কৰা হ'ব। দুটা পৰ্যায়ত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব বুলি তেওঁ জানিবলৈ দিয়ে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাজনৈতিক পৃষ্ঠভূমি নথকা পৰিয়ালৰ যুৱক-যুৱতীসকলক ৰাজনীতিত যোগদান কৰিবলৈ আহ্বান জনাইছে। আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি আজি ৰাষ্ট্ৰক উদ্দেশ্য দিয়া ভাষণত শ্ৰীমোদীয়ে এইদৰে আহ্বান জনায়। তেওঁ অহা কেইটামান মাহত একলাখ এনে যুৱক-যুৱতীক ৰাজনীতিৰ সৈতে সংযুক্ত কৰাৰ বাবে ভালেসংখ্যক বিশেষ অভিযান চলোৱা হ'ব বুলিও ঘোষণা কৰে। শ্ৰীমোদীয়ে লগতে অহা বছৰ স্বামী বিবেকানন্দৰ ১৬২ সংখ্যক জন্মবাৰ্ষিকীৰ দিনা দিল্লীত বিকশিত ভাৰত যুৱ নেতাসকলৰ আলোচনা অনুষ্ঠিত কৰাৰ কথা ঘোষণা কৰে।

তেওঁ কয় যে, মাতৃৰ নামত এজোপা গছ অভিযানৰ অধীনত মাত্ৰ ৫ মাহৰ ভিতৰত ১০০ কোটি গছপুলি ৰোপণৰ গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি অতিক্ৰম কৰা হৈছে। তেওঁ লগতে দেশৰ বিভিন্ন প্ৰান্তৰ জনসাধাৰণে এই অভিযানত অংশগ্ৰহণ কৰাক লৈ সন্তুষ্টি প্ৰকাশ কৰে।

পৰিস্কাৰ পৰিচ্ছন্নতা সন্দৰ্ভত শ্ৰীমোদীয়ে কয় যে চৰকাৰী কাৰ্যলয়ৰ দশক-দশক পুৰণি ফাইল আৰু ব্যৱহাৰ নোহোৱা পুৰণি সামগ্ৰী আঁতৰ কৰাৰ বাবে বিশেষ পৰিস্কাৰ পৰিচ্ছন্নতা অভিযান আৰম্ভ কৰা হৈছে। তেওঁ কয় যে চৰকাৰী বিভাগসমূহত এই আঁচনি ফলদায়ক ৰূপে পৰিগণিত হৈছে আৰু কাৰ্যালয়সমূহত যথেষ্ঠ

ঠাই ওলাইছে। ভাৰতত আৱৰ্জনাৰ পৰা সম্পদ প্ৰাচীন অৱধাৰণা বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে আৱৰ্জনাক সম্পদলৈ ৰূপান্তৰ কৰা আৰু বহনক্ষম জীৱন শৈলীৰ প্ৰসাৰৰ বাবে কাম কৰা একাংশ যুৱক-যুৱতীৰ উদাহৰণ দিয়ে।

এই প্ৰসংগত ঈতিশাৰ উদাহৰণ দি শ্ৰীমোদীয়ে কয় যে যুৱতীগৰাকীয়ে কৰ্প'ৰেট জগতৰ জাকজমকতা ত্যাগ কৰি অৰুণাচল প্ৰদেশৰ ছুংতি উপত্যকাৰ পৰিস্কাৰ-পৰিচ্ছনতাৰ কামত নিজকে উৎসৰ্গা কৰিছে। উপত্যকাটোত পৰ্যটকৰ বাবে ভালেখিনি প্লাষ্টিক আৱৰ্জনা গোট খাইছিল আৰু এই আৱৰ্জনাৰ বাবে উপত্যকাটোৰ নদ-নদীসমূহ প্ৰদূষিত হৈ পৰিছিল।

ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী -এনচিচি দিৱস উপলক্ষে শ্ৰীমোদীয়ে শিক্ষাৰ্থীৰ বাহিনীৰ সদস্য হৈ থকা সময়চোৱাৰ কথা স্মৰণ কৰে। তেওঁ কয় যে এন চি চিয়ে যুৱ প্ৰজন্মৰ মাজত অনুশাসন, নেতৃত্ব আৰু সেৱাৰ মনোভাৱ যোগাই তোলে। সম্প্ৰতি ২০ লাখৰো অধিক যুৱক-যুৱতী বাহিনীটোৰ সৈতে জড়িত হৈ আছে বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে।

০০০০০০

গোৱাত অনুষ্ঠিত ৫৫ সংখ্যক ভাৰত আন্তৰ্জাতিক চলচ্চিত্ৰ মহোৎসৱত আজি ৰাজেশ ভূঞাই পৰিচালনা কৰা স্বৰ্গৰথ ছবিখন প্ৰৰ্দশিত হয়। ভাৰতীয় পেনোৰামালৈ নিৰ্বাচিত ছবিখনে দেশ-বিদেশৰ বহু দৰ্শকৰ বিপুল সমাদৰ লাভ কৰে। উল্লেখযোগ্য যে বিগত ২৫ বছৰত এই মহোৎসৱৰ মূল শাখাত স্থান লাভ কৰা স্বৰ্গৰথ হৈছে প্ৰথম অসমীয়া চলচ্চিত্ৰ। ইয়াৰ আগেয়ে ১৯৯৯ চনত অশোক কুমাৰ বিষয়াই পৰিচালনা কৰা যৌৱনে আমনি কৰে চলচ্চিত্ৰ খন এই মহোৎসৱৰ মূল শাখালৈ বাছনি লাভ কৰিছিল। কালি ড০ ববী শৰ্মা বৰুৱাই পৰিচালনা কৰা ৰ'দৰ পাখি শীৰ্ষক ছবিখন প্ৰদৰ্শন কৰা হয়। বিশেষভাৱে সক্ষম ব্যক্তিসকলৰ প্ৰতি সংবেদনশীলতাৰে নিৰ্মাণ কৰা এই ছবিখনে ভাৰতীয় পেন'ৰামাত প্ৰদৰ্শন কৰা হয়। দেশ-বিদেশৰ চলচ্চিত্ৰ প্ৰেমী সমাৱেশ ঘটা এইবাৰৰ মহোৎসৱত ভাৰতীয় চলচ্চিত্ৰ জগতৰ মহীৰূহ ৰাজকাপুৰ, তপন সিংহ, মহম্মদ ৰফী আৰু আক্কিনেনি নাগেছ্বৰ ৰাওৰ জীৱন আৰু কৰ্মৰাজিৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। আজি কলা একাডেমীত আয়োজিত এটা অনুষ্ঠানত ৰাজকাপুৰৰ কমৰাজি প্ৰদৰ্শন কৰা হয়। এই অনুষ্ঠানত ৰাজকাপুৰৰ নাতি তথা জনপ্ৰিয় অভিনেতা ৰণবীৰ কাপুৰে অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে এই চলচ্চিত্ৰ মহোৎসৱৰ মূল শাখাত এইবাৰ মুঠ ২৭০খন ছবি প্ৰদৰ্শন কৰিবলৈ লোৱা হৈছে। বিভিন্ন শিতানত এইবাৰ প্ৰায় ৪০০ খন ছবি প্ৰদৰ্শিত হ'ব। ইয়াৰ ভিতৰত বিশ্বৰ ৮১খন দেশক প্ৰতিনিধিত্ব কৰা ১৮০খন বিদেশী ছবি আছে। এইবাৰৰ মহোৎসৱত অষ্ট্ৰেলিয়াক মূল দেশৰূপে স্বীকৃতি দিয়া হৈছে আৰু অষ্ট্ৰেলিয়াৰ ছবি নিৰ্মাতা মাৰ্কেল গ্ৰেচিৰ ছবি দ্যা বেটাৰমেনৰ প্ৰদৰ্শনৰে এইবাৰৰ মহোৎসৱৰ শুভাৰম্ভ কৰা হয়।

০০০০০০

সমাপ্ত